ক্ৰীড়া

'TIME100 Next India 2026'ৰ তালিকাত অন্তৰ্ভুক্ত উত্তৰ-পূবৰ তিনি ব্যক্তিত্বৰ নাম

টাইম১০০ নেক্সট ইণ্ডিয়া ২০২৬ৰ তালিকাত অসমৰ লাভলীনা বৰগোহাঁই, মণিপুৰৰ মীৰাবাই চানু আৰু নাগালেণ্ডৰ থেজা ৱিঅ'ই স্থান লাভ কৰিছে।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৮



Three Northeast figures

১৯ নৱেম্বৰ:

'TIME100 Next India 2026'ৰ তালিকাত উত্তৰ-পূবৰ তিনি ব্যক্তিত্ব।

‘টাইম১০০ নেক্সট ইণ্ডিয়া ২০২৬’ তালিকাত উত্তৰ-পূবৰ তিনিগৰাকী ব্যক্তিত্বই স্থান লাভ কৰিছে। তেওঁলোক হৈছে অসমৰ অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোহাঁই, মণিপুৰৰ ভাৰোত্তোলক মীৰাবাই চানু আৰু নাগালেণ্ডৰ চলচ্চিত্ৰ নিৰ্মাতা থেজা ৱিঅ'।

ভাৰতৰ ভৱিষ্যৎ গঢ় দিয়াৰ সম্ভাৱনা থকা ১০০গৰাকী উদীয়মান ব্যক্তিত্বক লৈ তালিকাখন প্ৰস্তুত কৰা হৈছে। ক্ৰীড়া আৰু চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি হিচাপে উত্তৰ-পূবৰ এই তিনিগৰাকী ব্যক্তিত্বই তালিকাত স্থান লাভ কৰিছে।

© 2026 NewzNow

লাভলীনা বৰগোহাঁইয়ে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰি অসমৰ প্ৰথমগৰাকী অলিম্পিক পদক বিজয়ী হিচাপে ইতিহাস ৰচিছিল। ২০২৩ চনত ৭৫ কেজি শাখাত বিশ্ব বক্সিং চেম্পিয়নৰ খিতাপ অৰ্জন কৰাৰ লগতে হাংঝৌ এছিয়ান গেমছত ৰূপৰ পদক লাভ কৰিছিল। ২০২৬ চনৰ এছিয়ান গেমছতো তেওঁ সোণৰ পদক অৰ্জন কৰিছে বুলি প্ৰদান কৰা তথ্যত উল্লেখ আছে।

লাভলীনাৰ পৰিচয়মূলক লিখনিত ক্ৰীড়া সাংবাদিক শাৰদা উগ্ৰাই তেওঁক অসমৰ সৈতে গভীৰ সম্পৰ্ক থকা এগৰাকী খেলুৰৈ বুলি অভিহিত কৰিছে।

অলিম্পিকৰ ৰূপৰ পদক বিজয়ী, বিশ্ব চেম্পিয়ন আৰু কমনৱেলথ গেমছৰ একাধিক পদক বিজয়ী মীৰাবাই চানুৰেও তালিকাত স্থান লাভ কৰিছে। ভাৰতীয় ভাৰোত্তোলনক নতুন পৰিচয় দিয়াত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ২০২৬ চনৰ এছিয়ান গেমছত চানুৰে ৰূপৰ পদক অৰ্জন কৰিছে বুলি প্ৰদান কৰা তথ্যত উল্লেখ আছে।

চলচ্চিত্ৰ জগতৰ পৰা তালিকাত অন্তৰ্ভুক্ত উত্তৰ-পূবৰ তৃতীয়গৰাকী প্ৰতিনিধি হৈছে থেজা ৰিঅ'। তেওঁৰ প্ৰথম পূৰ্ণদৈৰ্ঘ্যৰ ছবি ‘আং’ৰ জৰিয়তে কন্যাক জনগোষ্ঠীৰ জীৱন, পৰিচয় আৰু পৰিৱৰ্তিত সাংস্কৃতিক পৰিৱেশ পৰ্দাত তুলি ধৰা হৈছে। নাগালেণ্ডৰ এখন গাঁৱৰ পটভূমিত নিৰ্মিত ছবিখনে টৰণ্টো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ‘প্লেটফৰ্ম বঁটা’ লাভ কৰিছিল। ছবিখন একাডেমী বঁটাৰ শ্ৰেষ্ঠ আন্তঃৰাষ্ট্ৰীয় পূৰ্ণদৈৰ্ঘ্যৰ ছবি শাখাৰ বিবেচনাৰ বাবেও যোগ্য বিবেচিত হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4501/time100-next-india-northeast-personalities